# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 12-04-2025**

**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::::**

ৰাজ্যিক মন্ত্ৰীসভাই নতুনকৈ ১০ খন সমজিলা গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কামৰূপ জিলাৰ বকো আৰু পলাশবাৰী, শোণিতপুৰৰ বৰছলা আৰু ৰঙামাৰা, তিনিচুকীয়াৰ মাকুম আৰু ডিগবৈ, যোৰহাটৰ টিয়ক আৰু মৰিয়নি, কাছাৰৰ ধলাই আৰু গোৱালপাৰাৰ দুধনৈ এই সমজিলাকেইখন গঠন কৰা হ'ব। অসম মন্ত্ৰীসভাৰ আজি দিশপুৰত অনুষ্ঠিত বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যত নিৰ্মীয়মান অৱস্থাত থকা ৮ খন কৰ্কট ৰোগৰ চিকিৎসালয়ৰ নিৰ্মাণকাৰ্য এইবছৰতে দ্ৰুত গতিত আগবঢ়াই নিয়াৰ বাবে মন্ত্ৰীসভাই আঢ়ৈ শ কোটি টকাৰ অনুমোদন জনাইছে। ইতিমধ্যে এই চিকিৎসালয়কেইখন নিৰ্মাণৰ বাবে ২ হাজাৰ ৫০০ কোটি টকা ব্যয় কৰা হৈছে বুলি তেওঁ কয়।

ইপিনে, ডিব্ৰুগড়, যোৰহাট, বোকাখাট আৰু বজালীত ৰাজ্য চৰকাৰে গঠন কৰা দুগ্ধ উৎপাদন কেন্দ্ৰকেইটাৰ পৰিচালনাৰ দায়িত্ব নৰ্থ ইষ্ট ডেইৰী এণ্ড ফুডছ্ লিমিটেডক অৰ্পন কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লৈছে। ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ উদ্‌যাপনৰ বছৰযোৱা কাৰ্যসূচীৰ অহা ৮ ছেপ্তেম্বৰত আৰম্ভ কৰাৰ বিষয়েও আজি মন্ত্ৰীসভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি ৰাজ্য চৰকাৰে ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী নিয়াৰিকৈ পালন কৰিবলৈ মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত এখন ৫০ জনীয়া কমিটি গঠনৰ সিদ্ধান্ত লৈছে। এই অনুষ্ঠানৰ পৃষ্ঠপোষক হিচাপে উত্তৰ পূৰৰ আটাইকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰীক আমন্ত্ৰণ জনোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে। দেশৰ ৰাষ্ট্ৰপতি নাইবা প্ৰধানমন্ত্ৰীৰ উপস্থিতিত শতবৰ্ষ উদ্‌যাপনৰ আৰম্ভণি আৰু সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। শতবাৰ্ষিকীৰ কেন্দ্ৰীয় অনুষ্ঠান গুৱাহাটী, নতুন দিল্লী, অৰুণাচল প্ৰদেশ, কলিকতা আৰু মুম্বাইত অনুষ্ঠিত হ'ব। তদুপৰি ড° ভূপেন হাজৰিকাৰ সোঁৱৰণত এটা বিশেষ আন্তগাথনি প্ৰকল্প নাইবা অনুষ্ঠান নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। বিশিষ্ট ঔপন্যাসিক, সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীৰ দ্বাৰা প্ৰনয়ন কৰা শিল্পীগৰাকীৰ চমু জীৱনী ৰাজ্যখনৰ ১০ লাখ ব্যক্তিলৈ প্ৰেৰণ কৰা হ'ব। ভাৰতবৰ্ষৰ সকলো ভাষালৈ এই জীৱনী অনুবাদ কৰি বিভিন্ন পুথিভঁড়াললৈ প্ৰেৰণৰ বাবেও মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। একেদৰে শিল্পীগৰাকীৰ নামত স্মাৰক মুদ্ৰা প্ৰৱৰ্তন কৰাৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকক অনুৰোধ জনোৱাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্তত

উপনীত হয়। বিশ্ব বৰেণ্য শিল্পীগৰাকীক জীৱন সম্বলিত তথ্য চিত্ৰ অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাত প্ৰস্তুত কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। কিংবদন্তি শিল্পীগৰাকীৰ সংগীত আৰু কৰ্মজীৱন সম্পৰ্কে শিক্ষানুষ্ঠানসমূহত আলাপ-আলোচনা, চৰ্চাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যন্ত্ৰীয়ে উল্লেখ কৰে।

ooooo

অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুলৈ এদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কাইলৈ বিহুৰ উৰুকা। পৰহিলৈ ৰাজ্যখনৰ জনসাধাৰণে গোধনৰ শ্ৰীবৃদ্ধি কামনাৰে গৰু বিহু পালন কৰিব। মঙলবাৰে অসমীয়া নৱবৰ্ষৰ প্ৰথমটো দিনত হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্যবাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব।

ইফালে বিহুৰ বতৰতে অসমৰ গামোচাৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। গুৱাহাটী মহানগৰীৰ প্ৰান্তে প্ৰান্তে গামোচাৰ বিপণী মুকলি কৰা হৈছে। মহানগৰীৰ বিভিন্ন বজাৰত প্ৰয়োজনীয় মাখিয়তি, দীঘলতি, থেকেৰা, বৰবেঙেনা, পানীলাও, হালধি আদি উপলব্ধ হৈছে। অনুৰূপ ধৰণে ফাঁচী বজাৰ, গণেশগুৰি, পল্টন বজাৰ আৰু বিভিন্ন শ্বপিংমলত কাপোৰ ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই গৰু বিহুৰ দিনা জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে পৰহিলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে।

নগাঁৱৰ শিক্ষানুষ্ঠান নৱৰূপ জাতীয় বিদ্যাপীঠ আৰু নৱৰূপ কণিষ্ঠ মহাবিদ্যালয়ৰ উদ্যোগত আজি ৰঙালী বিহু আদৰণি উৎসৱ অনুষ্ঠিত হয়। ৰাজ্যৰ বহু শিক্ষানুষ্ঠানত আজি শিক্ষাৰ্থীসকলক ৰঙালী বিহুৰ পৰম্পৰাৰ সৈতে পৰিচিত কৰোৱাৰ উদ্দেশ্যে এনেধৰণৰ উৎসৱৰ আয়োজন কৰা হয়।

অৰণ্য সুৰক্ষা সমিতি অসমে বিগত বছৰৰ দৰে এইবাৰো পৰিবেশ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে গছ বিহু পালন কৰিব। ধুবুৰী জিলাৰ বিভিন্ন প্ৰান্তত পহিলা ব'হাগৰ দিনা এই বিহু পালন কৰা হ'ব। একেদৰে কামৰূপ জিলাৰ ৰঙিয়াৰ দীপ্তেশ্বৰীত ২৭ এপ্ৰিলত গছ বিহু পালন কৰা হব। এই উপলক্ষে গছৰ তলত বিহু নাচ গান আৰু পৰিবেশ সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ooooo

ৰাজ্য চৰকাৰে চলিত খাৰিফ ঋতুত ৪ লাখ মেট্ৰিক টনৰো অধিক ধান ক্ৰয় কৰিছে। ইয়াৰ বাবদ ৩৫ হাজাৰ কৃষক পৰিয়াল উপকৃত হৈছে আৰু তেওঁলোকৰ একাউণ্টলৈ ৯২০ কোটিৰো অধিক ধন পোনপতীয়াকৈ হস্তান্তৰ কৰা হৈছে। ৰাজ্য চৰকাৰে শেহতীয়াকৈ প্ৰতি কুইণ্টল ধানত ন্যূনতম সমৰ্থন মূল্যৰ উপৰি ২৫০ টকা অতিৰিক্তকৈ প্ৰদান কৰাৰ কথা ঘোষণা কৰিছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে - চানৰাইজাৰ্ছ হায়দৰাবাদক জয়ৰ বাবে ২৪৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। পাঞ্জাব দলে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ২৪৫ ৰাণ সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে লক্ষ্ণৌত অনুষ্ঠিত আন এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে-গুজৰাট টাইটানছক ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৮৮ ৰাণৰ বিজয় লক্ষ্যৰে খেলি ১৯ অভাৰ আৰু ৩ টা বলত নিকলাচপুৰণ আৰু মাৰ্কৰামৰ অৰ্ধশতৰাণৰ সহায়ত ৪ টা উইকেট হেৰুৱাই ১৮৬ ৰাণ কৰে। ইয়াৰ আগেয়ে গুজৰাটে প্ৰথমে বেট ধৰি শুভমন গিলৰ ৬০ ৰাণ, ছাই সুদৰ্শনৰ ৫৬ ৰাণৰ সহায়ত ৬টা উইকেটৰ বিনিময়ত ১৮০ ৰাণ সংগ্ৰহ কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ হৈ শ্বাৰ্দুল ঠাকুৰ আৰু ৰবি বিষ্ণুৱে দুটাকৈ উইকেট লাভ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ